# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ooooooo

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি উজনি অসমত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত এটা স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰিব। এই পৰীক্ষণ কেন্দ্ৰটোৰ জৰিয়তে যান-বাহন উপযোগিতাৰ দ্ৰুত পৰীক্ষণ প্ৰক্ৰিয়া সম্ভৱ হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি তিনিচুকীয়াত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তদুপৰি মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণ কালত ডিব্ৰুগড় আৰু ধেমাজি জিলাত কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশ ল'ব।

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি তিনিচুকীয়া জিলাত এটা সুসজ্জিত আৰৰ্ত ভৱন উদ্বোধন কৰে। জিলাখনৰ গেলাপুখুৰী বাইপাছৰ সন্মিলন কক্ষৰ চৌহদত নিৰ্মাণ কৰা এই আৰৰ্ত ভৱনটোৱে ৰাইজক উপকৃত কৰিব বুলি উল্লেখ কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, সাংসদ ৰামেশ্বৰ তেলীৰ লগতে কেইবাগৰাকীও বিধায়ক, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদবৰ্গ আৰু কেইবাগৰাকীও দলীয় নেতা উপস্থিত আছিল। তেওঁ কালি সন্ধিয়া জিলাখনৰ বীৰ ৰাঘৱ মৰাণ ইনডোৰ ষ্টেডিয়াম আৰু জ্ঞানকোষ আৱাসিক বিদ্যালয় পৰিদৰ্শন কৰে। তেওঁ এই ভ্ৰমণকালত দলীয় নেতা-কৰ্মীৰ সৈতেও মত-বিনিময় কৰে।

ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি তিনিচুকীয়াত ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো দ্ৰুত গতিত নিষ্পত্তিৰ দিশে আগবাঢ়িছে বুলি মন্তব্য কৰিছে। ড° শৰ্মাই প্ৰকাশ কৰা মতে অহা ২৫ নৱেম্বৰত অসম চৰকাৰে গঠন কৰা মন্ত্ৰীগোটে এই সন্দৰ্ভত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব। ইয়াৰ পাছতে জনজাতিকৰণৰ বিষয়টো কাৰ্যকৰী কৰাৰ পথ প্ৰশস্ত হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি জনজাতি হিচাপে মৰ্যাদা লাভ কৰি থকা বড়ো, ৰাভা, মিচিং, সোণোৱাল-কছাৰী আদি লোকসকলৰ মৰ্যাদা লাঘৱ নোহোৱাকৈ বাকী জনগোষ্ঠীসমূহক জনজাতিৰ মৰ্যাদা দিয়াৰ বাবে সকলো দিশ চালি-জাৰি চোৱা হৈছে।

ooooooo

চাওতাল সমাজক জনজাতিকৰণৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ কালি অসম চাওতাল উন্নয়ন সংস্থাই নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সাক্ষাৎকালত সংস্থাই অসম চৰকাৰে প্ৰাথমিক বিদ্যালয়ত অলচিকি ভাষাত প্ৰৱৰ্তন কৰিব লোৱা দুখন পুথিও প্ৰদান কৰে। সংস্থাৰ হৈ অসমৰ কেন্দ্ৰীয় সভাপতি দেৱজিৎ মাঝি আৰু যোৰহাট জিলাৰ সভাপতি বাপুৰাম বেশ্ৰৰাই ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। সাক্ষাৎকালত মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীও উপস্থিত থাকে।

ooooooo

ডিব্ৰুগড়ত মহাবাহু ব্ৰহ্মপুত্ৰৰ খহনিয়াই মহানগৰখনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধত হোৱা খহনীয়াত কালি এটা যোগ প্ৰশিক্ষণ কেন্দ্ৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। এই খহনীয়াৰ ফলত শতাধিক জিঅ' বেগো উটি যোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। এই খহনীয়া মহানগৰখনৰ জগাৰ্হ পাৰ্কক ধৰি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানলৈ অশনি সংকেট কঢ়িয়াই আনিছে। কালি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে জলসম্পদ বিভাগৰ ভালেকেইগৰাকী উচ্চ পদস্থ বিষয়া খহনীয়া স্থলীত উপস্থিত হয় আৰু খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থাৰ বাবে যাৱতীয় পদক্ষেপসমূহৰ তদাৰক কৰে। জিলা প্ৰশাসনে খহনীয়া সংঘটিত হোৱা অঞ্চলৰ আশে পাশে বাস কৰা লোকসকলক আঁতৰি যাবলৈ মাইক যোগে ঘোষণা কৰে। খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ ব্যৱস্থা সন্দৰ্ভত জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে এইদৰে কয়।

*-বাইট-*

০০০০০০০

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত কাইলৈ শুশ্ৰূষা সেঁতু শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিৰিৰ অনুষ্ঠিত হ'ব। জিলাখনৰ স্বাস্থ্যবিভাগে জিলাখনৰ জনসাধাৰণক এই শিৰিৰত অংশগ্ৰহণ কৰি স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনাইছে।

০০০০০০০

যোৰহাটৰ চিনমৰা মহাবিদ্যালয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা লোকসকলক স্বীকৃতি আৰু উৎসাহ দিয়াৰ উদ্দেশ্যে একাদশ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পুৰস্কাৰসমূহ ঘোষণা কৰিছে। এইবাৰ দধী মহন্ত সোঁৱৰণী সমাজ বিজ্ঞান ৰাষ্ট্ৰীয় বঁটা দিল্লী বিশ্ববিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° বিজয়ালক্ষ্মী সিঙলৈ আগবঢ়োৱা হৈছে। আনহাতে হৰিজন বন্ধু মামা কৃষ্ণনাথ শৰ্মা ৰাষ্ট্ৰীয় গৱেষণা বঁটা, শ্বিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ প্ৰাধ্যাপক ড° অমৰেন্দ্ৰ ঠাকুৰলৈ আগবঢ়োৱা হৈছে। এই বঁটা প্ৰদান অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত গান্ধী দৰ্শনৰ বিষয়ে এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বৰ উচ্চস্তৰীয় সমিতিয়ে ২০২৪ বৰ্ষত বানত হোৱা ক্ষয়-ক্ষতিৰ বাবে অসমলৈ ৩১৩ কোটি ৬৯ লাখ টকা মুকলি কৰি দিছে। অসমৰ উপৰি গুজৰাটলৈও প্ৰায় ৪০০ কোটি টকা মোকলাই দিয়া হৈছে। সমিতিখনে হাৰিয়ানা, মধ্যপ্ৰদেশ আৰু ৰাজস্থানলৈ এন ডি আৰ এফৰ সম্প্ৰসাৰণ আৰু অগ্নিনিৰ্বাপন সেৱাৰ আধুনিকীকৰণৰ বাবে ৯০৩ কোটি ৬৭ লাখ টকাৰ আৱণ্টন দিছে।

০০০০০০০

**সমাপ্ত**